# 2015

## ASSAMESE

## ( Modern Indian Language )

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ লিখা : ১×৭=৭

(ক) 'পাহৰণি' কবিতাটোৰ ৰচক কোন?

(খ) শোণিতপুৰৰ আন এটি নাম কি?

(গ) মেটচিনি কোন?

(ঘ) কবি অমূল্য বৰুৱাৰ কাব্যগ্ৰন্থখনৰ নাম কি?

(ঙ) মাধৱদেৱৰ 'তেজৰে কমলাপতি' নামৰ বৰগীতটো কি ৰাগত বন্ধা?

(চ) কবি হীৰেণ ভট্টাচাৰ্য্যৰ জন্ম কোন চনত হৈছিল?

(ছ) দুলড়ী ছন্দৰ অক্ষৰ সংখ্যা কিমান?

২। চমু উত্তৰ লিখা : ২×৪=৮

(ক) মহাপুৰুষ শংকৰদেৱৰ 'শৰৎ বৰ্ণনা' নামৰ কবিতাটো ক'ৰ পৰা অনা হৈছে?

(খ) অসমীয়া সাহিত্যৰ ত্ৰিমূৰ্তি বুলিলে কোনকেইগৰাকী সাহিত্যিকক কোৱা হয়?

(গ) কবি হীৰেণ ভট্টাচাৰ্য্যৰ দুখন কবিতা-পুথিৰ নাম লিখা।

(ঘ) কবিয়ে 'মালতী' কবিতাটোত মালতীক কাৰ লগত তুলনা কৰিছে?

৩। প্ৰসঙ্গ-সঙ্গতি দৰ্শাই ব্যাখ্যা কৰা (যি কোনো তিনিটা) : ৫×৩=১৫

(ক) ছি ছি আশাৰ ছলনা যেন মৰীচিকা
দেখিলোঁ সপোন মিছাই কল্পনা
জাতীয়-বিদ্বেষ-ৰাক্ষসী-ভকত
দিওঁ ইহঁতক কিহেৰে তুলনা।

(খ) তোমাৰ সৃষ্টি কদাকাৰ কৰা মলি মামৰৰ দ'ম
বিশ্বৰ পৰা সাৰি-পুছি আনি ময়েই গৰাকী হ'ম।

(গ) অলপ পানীৰ মৎস্য নজানিল
শুখাই টুটি পৰৈ পানী
আয়ু যায় নিত তাত নোদে চিত
যেন মহা মূঢ় প্ৰাণী।

(ঘ) মোৰ দেশ—মোৰ কল্লোলিত সপোনৰ
উত্তাল তৰংগই
মোক লৈ যায় গভীৰৰ পৰা গভীৰতৰলৈ
আদৰ্শৰ কঠিন পৰ্বত মূললৈ...।

৪। নিম্নলিখিত প্ৰশ্নসমূহৰ উত্তৰ লিখা (যি কোনো তিনিটা) : ১০×৩=৩০

(ক) 'পাহৰণি' নামৰ কবিতাটোৰ মাজেৰে কবি কমলাকান্ত ভট্টাচাৰ্য্যদেৱে অসমীয়া মানুহলৈ কি বাৰ্তা প্ৰেৰণ কৰিছে, আলোচনা কৰা।

(খ) ৰোমাণ্টিক কবিতাৰ লক্ষণসমূহ আলোচনা কৰি 'মালতী' *অথবা* 'নিয়ৰ' কবিতাত এই লক্ষণসমূহ কিদৰে প্ৰতিফলিত হৈছে, উদাহৰণসহ আলোচনা কৰা।

(গ) 'শৰৎ বৰ্ণনা' কবিতাটোত কি চাৰি আশ্ৰমৰ কথা কোৱা হৈছে, কবিতাটোৰ সহায়ত আলোচনা কৰা।

(ঘ) মাধৱদেৱৰ বৰগীতত কোনবিধ ৰসৰ প্ৰাধান্য দেখা যায়? বৰগীত 'তেজৰে কমলাপতি'ৰ আধাৰত আলোচনা কৰা।

(ঙ) অম্বিকাগিৰী ৰায়চৌধুৰীৰ কবিতাসমূহত আমি দুটা সুৰ শুনিবলৈ পাওঁ, সেই সুৰ দুটা কি কি? 'গঢ়া কৰি মোক ঝাড়ুদাৰ' নামৰ কবিতাটোত কবিগৰাকীৰ কোনটো সুৰ প্ৰতিফলিত হৈছে, আলোচনা কৰা।

(চ)
> "এনে বহু যাত্ৰাৰ শেষ মোৰ দেশ। যাৰ বুকুৰ
> উমে মোক দিছে ভালপোৱাৰ আনন্দ, যৌৱনৰ
> প্ৰাচুৰ্য্য, জীৱনৰ নতুন অৰ্থ।"

কথাষাৰৰ তাৎপৰ্য ব্যাখ্যা কৰি 'মোৰ দেশ' কবিতাটোৰ এটি আলোচনা আগবঢ়োৱা।

★★★